# গীতাঞ্জলি বৰকটকীৰ কবিতা

**হাইকুৰ দৰে**

১/
আঘোণৰ উমাল ৰ'দালি
মহুৰাৰ ৰাগি
দিশহাৰা বৈৰাগী।

২/
বসন্তৰ ডুব যোৱা বেলিটো
হাকুটিয়াই ধৰিব বিচাৰোঁতেই
টোপনি ভাগিল।

৩/
বৰষুণত সৰি পৰা
ইন্দ্ৰমালতীবোৰ ভিক্ষুকজনে
বুটলি ল'লে।

৪/
তামোলজোপাত পাণ
বৰঘৰ শুৱনি গাভৰু জীয়ৰী
শুৱনি নৈ ঘাট।

৫/
হেমন্ত কাল
নিশাটো হেৰাল নদীত
শকুন্তলা হেৰাল আঙঠিত।